জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৫/২০২১**

# মৈত্ৰী আঁচনিৰ অধীনত নিৰ্মিত মাকুম আৰক্ষী থানাৰ নতুন ভৱন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## উগ্ৰপন্থীসকলক হিংসা পৰিহাৰ কৰি শান্তিৰ পথলৈ উভতি আহিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

## ৫২ গৰাকী আত্মসমৰ্পণকাৰী আলফা সদস্যক চাৰি লাখ টকাকৈ ফিক্স ডিপ'জিটৰ তথ্য পাতি প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৪ জানুৱাৰী ঃ** আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মৈত্ৰী আঁচনিৰ অধীনত ২.২৬ কোটি টকাৰে নিৰ্মাণ কৰা মাকুম আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে ২০১৯ চনত আত্মসমৰ্পণ কৰা তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ লগতে শদিয়া আৰক্ষী জিলাৰ ৫২ গৰাকী আত্মসমৰ্পণকাৰী আলফা সদস্যক চাৰি লাখ টকাকৈ ফিক্স ডিপ'জিটৰ তথ্য পাতি প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বিগত চাৰে চাৰি বছৰে অসম চৰকাৰে উগ্ৰপন্থাত জড়িত ৰাজ্যৰ যুৱক-যুৱতীসকলক মূলসুঁতিলৈ ঘূৰাই অনাৰ বাবে নিৰৱচ্ছিন্নভাৱে প্ৰয়াস চলাই আহিছে। ফলস্বৰূপে বহু উগ্ৰপন্থীয়ে অস্ত্ৰ-শস্ত্ৰ জমা দি শান্তিৰ পথত খোজ দিছে। এতিয়াও হিংসাৰ আশ্ৰয় লৈ থকা উগ্ৰপন্থীসকলক অস্ত্ৰ সম্বৰণ কৰি শান্তিৰ পথলৈ উভতি আহিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে অস্ত্ৰ সম্বৰণ কৰা উগ্ৰপন্থীসকলক সুনাগৰিক হিচাপে জীয়াই থকাৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা ৰাজ্য চৰকাৰে আগবঢ়াব।

ৰাজ্যবাসীৰ জীৱন আৰু সম্পত্তিৰ নিৰপত্তা প্ৰদান কৰাৰ ক্ষেত্ৰত বিগত চাৰে চাৰি বছৰে অসম আৰক্ষীয়ে গ্ৰহণ কৰা পদক্ষেপৰ মুখ্যমন্ত্ৰীসোণাৱালে শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয়যে দুৰ্নীতিমুক্ত অসম গঢ়াৰ বাবে অসম চৰকাৰে যি পদক্ষেপ লৈছে সেয়া বাস্তৱায়িত কৰাত অসম আৰক্ষীয়ে বিশেষ ভূমিকা লৈছে। অসম ৰাজ্যিক লোকসেৱা আয়োগৰ সংস্কাৰ সাধনৰ ফলত মেধাৰ ভিত্তিত যুৱক-যুৱতীসকলে চৰকাৰী কৰ্ম সংস্থাপন পাবলৈ আজি সক্ষম হৈছে। শেহতীয়াকৈ সংঘটিত অসম আৰক্ষীৰ উপ পৰিদৰ্শকৰ নিযুক্তি কেলেংকাৰীৰ তদন্ত দ্ৰুত গতিত সমাপ্ত কৰি অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰাৰ উপৰি তিনি মাহৰো কম সময়ৰ ভিতৰত কেচ ডায়েৰী জমা দিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ কৰ্ম দক্ষতাৰ প্ৰশংসা কৰে।

অসম আৰক্ষীক আধুনিকীকৰণৰ বাবে ৰাজ্য চৰকাৰে মৈত্ৰী আঁচনিৰ দৰে পদক্ষেপ গ্ৰহণ কৰাৰ

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যৰ সকলোবোৰ আৰক্ষী থানাৰ আন্তঃগাঁথনি অত্যাধুনিক কৰি তোলা হ'ব যাতে কৰ্ম সংস্কৃতি অধিক বৃদ্ধি পায়। তেওঁ মাকুম আৰক্ষী থানাৰ বিষয়া-কৰ্মচাৰীসকলক ৰাইজৰ সমস্যাসমূহ অধিক সহৃদয়তাৰে উপলব্ধি কৰি জনসাধাৰণৰ আস্থা আৰু বিশ্বাস জয় কৰাৰ লক্ষ্যৰে কাম কৰিবলৈ আহ্বান জনায়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যখন দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, প্ৰদূষণমুক্ত আৰু সন্ত্ৰাসবাদমুক্ত কৰি তোলাৰ বাবে বিগত চাৰে চাৰি বছৰে গ্ৰহণ কৰা পদক্ষেপৰ আলোকপাত কৰে।

তদুপৰি ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ ভাষা, কৃষ্টি, সংস্কৃতি ঐতিহ্য আৰু জাতি, মাটি, ভেটি সুৰক্ষাৰ বাবে অসম চৰকাৰে ৰূপায়ণ কৰা পদক্ষেপৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান হীৰেণ নাথে আদৰণী ভাষণ প্ৰদান কৰা উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ খাদ্য সংসাধন দপ্তৰৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, ডিগবৈ সমষ্টিৰ বিধায়ক সুৰেন ফুকন আৰু আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তইও ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত অসম চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী সঞ্জয় কিষাণ; সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে ভাস্কৰজ্যোতি শৰ্মা, বলিন চেতিয়া আৰু বিনোদ হাজৰিকা, উত্তৰ পূব সংমণ্ডলৰ উপ-আৰক্ষী মহাপৰিদৰ্শক জিৎমল দলে, অসম আৰক্ষী হাউচিং ব'ৰ্ডৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা প্ৰমুখ্যে অসম আৰক্ষীৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া, বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**
**৪-০১-২০২১**